# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-07-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - - -

ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই কয় যে, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ জৰিয়তে প্ৰতিগৰাকী নাগৰিকক আত্মনিৰ্ভৰ কৰি তোলাই হৈছে চৰকাৰৰ লক্ষ্য। আজি দিনজোৰা কাৰ্যসূচীৰে বৰপেটা ভ্ৰমণ কৰা ৰাজ্যপাল শ্ৰীকাটাৰীয়াই সংবাদ মাধ্যমৰ ওচৰত এই মন্তব্য কৰে। তেওঁ কয় যে, প্ৰতিগৰাকী লোকে যাতে নিজৰ ভৰিত নিজে থিয় হৈ সমাজখনক প্ৰগতিৰ দিশত ক্ষীপ্ৰগতিত আগুৱাই নিব পাৰে সেই লক্ষ্যৰে চৰকাৰে কাম কৰিছে। এই প্ৰসংগতে বৰপেটা জিলাই সকলো ক্ষেত্ৰতে সন্তোষজনক প্ৰগতি লাভ কৰা বুলি শ্ৰীকাটাৰীয়াই কয়। উল্লেখযোগ্য যে ৰাজ্যপালগৰাকীয়ে জিলাখনৰ সকলো বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠকত উপস্থিত থাকে। পাছত তেওঁ বৰপেটা সত্ৰ পৰিদৰ্শন কৰি সত্ৰখনৰ অভাৱ-অভিযোগৰ বুজ লয়।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ এক্ট ইষ্ট নীতিৰ অধীনৰ উল্লেখযোগ্য পদক্ষেপৰ অংশ হিচাপে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি মিজোৰামৰ আইজলত থকা ভাৰতীয় গণ সংযোগ প্ৰতিষ্ঠান অৰ্থাৎ আই আই এম চিত ৫০০ সংখ্যক সামূহিক অনাতাঁৰ কেন্দ্ৰৰ শুভাৰম্ভ কৰে। তেওঁ লগতে এই অনুষ্ঠানতে দশম ৰাষ্ট্ৰীয় সামূহিক অনাতাঁৰ বঁটাও ঘোষণা কৰে। অপনা ৰেডিঅ' ৯০.০ এফ এম শীৰ্ষক এই অনাতাঁৰ কেন্দ্ৰৰ শুভাৰম্ভ অনুষ্ঠানত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী বি এল মুৰুগান আৰু মিজোৰামৰ মুখ্যমন্ত্ৰী লালডুহোমা উপস্থিত থাকে। অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতৰ সামূহিক অনাতাঁৰ সেৱাৰ ক্ষেত্ৰত মাইলৰ খুঁটিসদৃশ এই পদক্ষেপে অনাতাঁৰ সেৱাই সামৰি ল'বলগীয়া অঞ্চলসমূহৰ জনসাধাৰণৰ জীৱনত ইতিবাচক পৰিৱৰ্তন সাধন কৰিব। মন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত লগতে সংসদত উত্থাপন হোৱা ২০২৪-২৫ বৰ্ষৰ বাজেটে উত্তৰ পূৰ্বাঞ্চলৰ ৰে'লৰে খণ্ডৰ বাবে অভিলেখ পৰিমাণৰ আবণ্টন দিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে ইয়াৰ ফলত মিজোৰামত উন্নত ৰেল যোগাযোগৰ বাবে বহু প্ৰত্যাশিত সপোন বাস্তৱায়িত হ'ব। অনুষ্ঠানত দিয়া ভাষণত তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী শ্ৰীমুৰুগানে কয় যে ব্যক্তিগত ৰেডিঅ' ষ্টেছনসমূহৰ বাণিজ্যিক উদ্দেশ্যৰ বিপৰীতে সামূহিক অনাতাঁৰ কেন্দ্ৰই সকলো শ্ৰেণীৰ জনসাধাৰণৰ বাবে অনুষ্ঠান প্ৰচাৰ কৰে।

০০০০০

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি বিভাগীয় শীৰ্ষ বিষয়াসকলৰ এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি ৰাজ্যখনৰ বান আৰু খহনীয়া সমস্যা প্ৰতিৰোধৰ লক্ষ্যৰে অনুমোদিত কামসমূহ নিৰ্ধাৰিত সময়ত প্ৰযুক্তিৰ সহায়ত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে অভিনৱ কৌশল তথা প্ৰযুক্তিৰ সহায়ত কামসমূহ

পূৰ্বতকৈ কিদৰে উন্নত কৰিব পাৰি এই বিষয়ে আলোচনা কৰে। তদুপৰি বৰ্তমানেও ৰূপায়িত হৈ থকা কাম-কাজসমূহ নিয়াৰিকৈ সম্পন্ন কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে।

ইপিনে ৰাজ্যৰ বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি মৰিগাঁও জিলাত বান পৰিস্থিতি পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনত বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ লৈ বিভিন্ন বিভাগক তৎপৰতাৰে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে।

০০০০০

অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষা কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। ২৩৫টা পদৰ বাবে হ'বলগীয়া এই মূল পৰীক্ষাত দুহেজাৰ ৮২১গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফলৰ অন্তত দুহেজাৰ ৮৯৮গৰাকীয়ে মূল পৰীক্ষালৈ যোগ্যতা অৰ্জন কৰিছিল যদিও ইয়াৰ ভিতৰত দুহেজাৰ ৮২১গৰাকী প্ৰাৰ্থীয়েহে মূল পৰীক্ষাৰ বাবে আবেদন জনায়। এই পৰীক্ষা হ'বলগীয়া ২৩৫টা পদৰ ভিতৰত অসম অসামৰিক সেৱাৰ ৪৫টা, অসম আৰক্ষী সেৱাৰ ৩৫টা আৰু অসম বিত্ত সেৱাৰ ১৩টা পদ আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া সকলো পৰিক্ষাৰ্থীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰৰ নিৰ্দেশনা অনুসৰি এই পৰীক্ষাত প্ৰথমবাৰৰ বাবে প্ৰতিটো প্ৰশ্ন ইংৰাজীৰ উপৰি অসমীয়া ভাষাতো থাকিব। মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপৰ বাবে লোকসেৱা আয়োগক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

তিনিচুকীয়া জিলাত অহা ১ আগষ্টত হ'বলগীয়া অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায় সফল কৰি তুলিবলৈ জিলা প্ৰশাসন তৎপৰ হৈ উঠিছে। আজি জিলাখনৰ আয়ুক্ত স্বপ্নীল পালে ডুমডুমা বন সংমণ্ডলৰ অন্তৰ্গত খাটাংপানী, পেঙেৰিত থকা বন বিভাগৰ নাৰ্চাৰী পৰিদৰ্শন কৰি এই কামৰ অগ্ৰগতিৰ বুজ লয়। উল্লেখযোগ্য যে এইবাৰ জিলাখনত বৃহৎ সংখ্যক গছপুলি ৰোপণৰ বাবে জিলা প্ৰশাসন সাজু হৈছে।

০০০০০

ব'লবম উৎসৱৰ নামত একাংশই সৃষ্টি কৰা বিশৃংখল পৰিৱেশ, অসহনীয় উচ্চ প্ৰাবল্যৰ শব্দ যন্ত্ৰ ব্যৱহাৰ আদিৰ লগতে শিক্ষানুষ্ঠান, চিকিৎসালয়, ন্যায়ালয় আদিৰ কামত বাধাৰ সৃষ্টি হোৱা পৰিপ্ৰেক্ষিতত শিৱসাগৰ জিলা আয়ুক্তই সমগ্ৰ জিলাখনত তৎকালে বলৱৎ হোৱাকৈ ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰিছে।

০০০০০

সমাপ্ত